



## পৰিশিষ্ট



**হেন্ৰিক ইবছেন ঃ** হেন্ৰিক জ'হান ইবছেনৰ জন্ম ২০ মাৰ্চ, ১৮২৮ চন, নৰৱে'ৰ স্কিয়েনত। তেওঁ অৱস্থাপন্ন পৰিয়ালৰ সন্তান আছিল যদিও পিছলৈ দেউতাকৰ আৰ্থিক অৱস্থা বেয়াৰ ফালে ঢাল খোৱাত ইবছেনে যথেষ্ট কষ্ট কৰি নিজকে প্ৰতিষ্ঠা কৰিছিল। তেওঁ ঊনবিংশ শতিকাৰ শেষাৰ্ধত প্ৰতিষ্ঠা লাভ কৰা এগৰাকী প্ৰখ্যাত নৰৱেজিয়ান নাট্যকাৰ। লগতে তেওঁ আছিল এগৰাকী কবি। তেওঁ ইউৰোপীয় নাট্যক্ষেত্ৰত Naturalist (প্ৰকৃতিবাদী) নাটকৰ নাট্যকাৰৰূপে প্ৰখ্যাত। অৱশ্যে তেওঁ এইনাট্য ক্ষেত্ৰৰ যাত্ৰা আৰম্ভ কৰিছিল Realist (বাস্তৱবাদী) নাট্যকাৰ হিচাপে। তেৱেঁইইউৰোপীয় নাট্য পৰিমণ্ডলৰ বাস্তৱবাদী মধ্যবিত্ত সমাজক প্ৰেক্ষাপট হিচাপে লৈ পৰিমিত, ক্ৰিয়া, তীক্ষ্ণ সংলাপ আৰু আপোচহীন চিন্তাৰ বীজ ৰোপণ কৰিছিল।

"Major Norwegian playwright of the late 19th century who introduced to the European stage a new order of moral analysis that was placed against severely realistic middle-class background and developed with economy of action, penetrating dialogue and rigorous thought (Article from the Encyclopaedia Britannica) ২৩ মে', ১৯০৬ চনত অছল'ত (তেতিয়াৰ খ্ৰীষ্টিনা) এই গৰাকী বৰেণ্য নাট্যকাৰৰ মৃত্যু ঘটিছিল। তেওঁৰ উল্লেখযোগ্য নাট্যকৃতিসমূহ হৈছে Brand, Peer Gynt, An Enemy of the people, Emperor and Galileon, A Doll's House, Hedda Gobler, Ghosts, The Wild Duck আৰু Rosmersholm.



**জৰ্জ বাৰ্ণাৰ্ড শ্ব ঃ** জৰ্জ বাৰ্ণাৰ্ড শ্বৰ জন্ম হয় ২৬ জুলাই, ১৮৫৬ চনত। তেওঁৰ জন্ম স্থান ডাব্লিন চহৰৰ Synge Street। তেওঁ এগৰাকী প্ৰখ্যাত আইৰিছ নাট্যকাৰ হোৱাৰ লগতে London School of Economics-ৰ সহ প্ৰতিষ্ঠাপকো। সঙ্গীত আৰু সাহিত্য সমালোচনামূলক লেখাসমূহৰ যোগেদি তেওঁ যশ-খ্যাতি লাভ কৰিছিল যদিও নাটকেই তেওঁৰ প্ৰিয় বিষয় আছিল। তেওঁ ৬০ খনতকৈও অধিক নাটক ৰচনা কৰি থৈ গৈছে। তেওঁৰ সৰহ সংখ্যক নাটকতেই চলিত সামাজিক সমস্যাসমূহে গুৰুত্ব লাভ কৰিছিল যদিও তাত ব্যংগ-হাস্য ৰসৰ ৰেখ আছিল। এই সংযোগে তেওঁৰ নাট্যৰচনাসমূহ অধিক উপভোগ্য কৰি তুলিছিল। সমাজবাদত বিশ্বাসী এইগৰাকী নাট্যকাৰে শ্ৰমিক শ্ৰেণীটোৰ ওপৰত চলা শোষণ-নিষ্পেষণৰ বিৰুদ্ধে ক্ষুৰধাৰ সমালোচনা কৰিছিল।

তেওঁ সাহিত্যৰ ন'বেল বঁটা (১৯২৫) লাভ কৰা সাহিত্যিকৰ লগতে অস্কাৰ (১৯৩৮) লাভ কৰা ব্যক্তিৰূপে প্ৰখ্যাত। তেওঁৰ উল্লেখযোগ্য নাট্যকৃতিসমূহৰ ভিতৰত Candida, Pygmalion, Major Barbara আৰু Saint Joan উল্লেখযোগ্য। ২ নভেম্বৰ, ১৯৫০ চনত St. Lawrence অ'ত এইগৰাকী মহান নাট্যকাৰ আৰু সমালোচকৰ মৃত্যু ঘটিছিল।



**মৰিচ মেটাৰলিংক ঃ** মৰিচ মেটাৰলিংক (Maurice Maeterlinck) মৰিচ পলিঅ'ৰ মেৰি বাৰ্ণাৰ্ড মেটাৰলিংক (Maurice Polydore Marie Bernard Maeterlinck)-ৰ জন্ম হয় বেলজিয়ামত, ১৮৬২ চনৰ ২৯ আগষ্টত। তেওঁৰ মৃত্যু হয় ১৯৪৯ চনৰ ৬ মে'ত। তেওঁ এগৰাকী বেলজিয়ান নাট্যকাৰ, কবি আৰু নিবন্ধকাৰ আছিল। অৱশ্যে তেওঁ ফৰাচী ভাষাতহে নিজৰ ৰচনাসমূহ লিখিছিল। তেওঁ ১৯১১ চনত সাহিত্যৰ বাবে আগবঢ়োৱা ন'বেল বঁটা লাভ কৰিছিল। তেওঁৰ সৰহ ভাগ ৰচনাৰে মূল বিষয়বস্তু হ'ল মৃত্যু আৰু জীৱনৰ অৰ্থ। তেওঁ প্ৰতীকবাদী (Symbolist) আন্দোলনৰ লগতো জড়িত আছিল। তেওঁৰ ৰচনাসমূহে প্ৰতীকবাদী আন্দোলনলৈ বিশেষ অৰিহণা আগবঢ়াইছিল। মেটাৰলিংকৰ নাটকক সাধাৰণতে 'স্থৈতিক নাটক' (Static drama)বুলি জনা যায়। মন কৰিব যে ৰূপালীম নাটকখনত বিখ্যাত বেলজিয়ামৰ নাট্যকাৰ মেটাৰলিংকৰ *মোন্না ভানা* নাটকৰ ছাঁ পৰোঁ-নপৰোকৈ পৰিছিল।